# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-09-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - -**

ৰাজ্যৰ প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনত অহা ১৫ ছেপ্তেম্বৰৰ পৰা হ'বলগীয়া তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নিযুক্তি পৰীক্ষাৰ বাবে কাৰ্বি আংলং জিলাৰ ডিফুত জিলা দুৰ্যোগ প্ৰাধীকৰণ কাৰ্যালয়ত জিলা নিয়ন্ত্ৰণ কক্ষ্য স্থাপন কৰা হৈছে। পৰীক্ষাত নিয়োজিত ব্যক্তিসকলকো প্ৰশিক্ষণ দি থকা হৈছে।

একেদৰে নিযুক্তি পৰীক্ষাসমূহ স্বচ্ছ, নিকা আৰু ত্ৰুটিবিহীন ভাবে অনুষ্ঠিত কৰিবলৈ চৰাইদেউ জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত হ'বলগীয়া নিযুক্তি পৰীক্ষা প্ৰক্ৰিয়াৰ তদাৰক তথা নিৰীক্ষণ কৰাৰ বাবে ৰাজ্য চৰকাৰে সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ সচিব ফৰিদা চামছুলক কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিয়োজিত কৰা হৈছে।

ooooo

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অধ্যক্ষতাত আজি নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত মন্ত্ৰীগৰাকীৰ অধীনৰ বিভাগসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়। এই বৈঠকত বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস, জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ লগতে জিলা পৰিষদৰ বিষয়া আৰু আৰক্ষী বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

ooooo

বিধায়ক ভূবন গামে আজি মাজুলীৰ কমলাবাৰী সত্ৰৰ সমীপত প্ৰথমটো চৰকাৰী দত্তক গ্ৰহণ কেন্দ্ৰ আজি আনুষ্ঠানিক ভাবে মুকলি কৰে। কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ৰ অধীনত ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ নিৰ্দেশনাত নিপীড়িত আৰু বঞ্চিত শিশুসকলক নিৰাপত্তা আৰু প্ৰতিপালনৰ বাবে এই কেন্দ্ৰটো মুকলি কৰা হৈছে। মাজুলীৰ শিশুসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত এই কেন্দ্ৰটোৱে বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

ooooo

দেশৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ তৰফৰ পৰা জ্যেষ্ঠ শিল্পীসকললৈ আৰ্থিক সাহায্য আঁচনিৰ অধীনত ৬০ বছৰ উৰ্ধৰ শিল্পীসকলৰ পৰা আবেদনপত্ৰ বিচৰা হৈছে। ৰাজ্যিক, ৰাষ্ট্ৰীয় বঁটা প্ৰাপক অথবা দুৰদৰ্শন আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পীসকলে এই আঁচনিৰ বাবে আবেদন দাখিল কৰিব পাৰিব। আবেদনকাৰীৰ আয় প্ৰতিমাহে চাৰি হাজাৰ টকা অথবা বছৰত ৪৮ হাজাৰ টকাৰ অধিক হ'ব নোৱাৰিব। ইচ্ছুক শিল্পীসকলে www.indiaculture.nic.in ৱেবছাইট যোগে আবেদন দাখিল কৰিব পাৰিব। ৰাজ্য চৰকাৰ অথবা

সংশ্লিষ্ট মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰৰ অনুমোদন নোহোৱা আৰু অসম্পূৰ্ণ আবেদনপত্ৰ গ্ৰহণ কৰা নহ'ব বুলি সাংস্কৃতিক মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

০০০০০

কামৰূপ মহানগৰ জিলাত বিশেষ কাৰণত স্থগিত ৰখা শিক্ষক দিৱসৰ কাৰ্যসূচী আজি দিছপুৰৰ লোক নিৰ্মাণ বিভাগৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। জিলাখনৰ সাতগৰাকী কৃতি শিক্ষকক এই অনুষ্ঠানত গামোচা, মানপত্ৰ আৰু শৰাইৰে সম্বৰ্ধনা জনোৱা হয়, লগতে গুণোৎসৱত ভাল ফলাফল প্ৰদৰ্শন কৰা শিক্ষাখণ্ড সমূহকো প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত জিলাখনৰ ভালে সংখ্যক শিক্ষক শিক্ষয়িত্ৰী উপস্থিত থাকে।

০০০০০

সদৌ অসম শৰৎ চন্দ্ৰ গোস্বামী স্মাৰক ২৪ সংখ্যক আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা আজি গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। **নাৰীবাদী আন্দোলনত পুৰুষৰ সক্ৰিয় অংশগ্ৰহণৰ দ্বাৰাহে লিংগ সমতা ৰক্ষা কৰাটো সম্ভৱ** শীৰ্ষক বিষয়ত আয়োজিত এই প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো মহাবিদ্যায়ৰ ২০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত কটন বিশ্ববিদ্যালয় আৰু দৰং কলেজক প্ৰথম আৰু দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে ঘোষণা কৰা হয়। আনহাতে কটন বিশ্ববিদ্যালয়ৰ অভিপ্সা কলিতাই শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় দলটো স্বদেশলৈ উভতি আহিছে। নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত দলটোক বিপুলভাৱে আদৰণি জনোৱা হয়। উল্লেখযোগ্য যে ভাৰতে এইবাৰৰ পেৰালিম্পিকত ৭টা সোণ, ৯টা ৰূপ আৰু ১৩টা ব্ৰঞ্জৰ পদকসহ ২৯টা পদক লাভ কৰি অলিম্পিকৰ একেটা সংস্কৰণতে সৰ্বাধিক পদক লাভৰ অভিলেখ গঢ়িছে। এই প্ৰতিযোগিতাত ভাৰতে ১৮ নম্বৰ স্থান লাভ কৰে। পেৰা শুটাৰ অৱনী লেখাৰাই ২৪৯ দশমিক ৭ পইণ্টৰ বিশ্ব অভিলেখ স্থাপন কৰি মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফলৰ ষ্টেণ্ডিং এছ এইচ ৱান শিতানত খিতাপ জয় কৰাৰ লগতে পেৰালিম্পিকত দুটাকৈ স্বৰ্ণ পদক লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা হিচাপে পৰিগণিত হৈছে।

০০০০০

সমাপ্ত